# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 09-10-2024
**Time :** 21-25 Hrs

**Assamese Night Bulletin**

::::::::::::::::::::::::::::::::::::::::::::

গুৱাহাটী মহানগৰীক দক্ষিণ-পূব এচিয়াৰ প্ৰৱেশ দ্বাৰলৈ ৰূপান্তৰিত কৰাৰ অবিৰত প্ৰয়াসৰ অংশ হিচাপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ চচলত আয়োজিত অনুষ্ঠানত স্মাৰ্ট এল ই ডি ষ্ট্ৰীট লাইট আৰু কেন্দ্ৰীভূত নিয়ন্ত্ৰণ তথা নিৰীক্ষণ ব্যৱস্থাৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। এই প্ৰকল্পত সৰ্বমুঠ ৮৩ কোটি ৯৬ লাখ টকা ব্যয় কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে ১০ হাজাৰ বিজুলী বাতি স্থাপনৰ দ্বাৰা মহানগৰীৰ ৯৪৪ টা পথ আলোকিত কৰি তোলা হৈছে। তদুপৰি বিজুলীবাতিসমূহ জ্বলোৱা-নুমুৱা, পোহৰৰ প্ৰাবল্য হ্ৰাস কৰা আদিৰ বাবে ক্লাউদ আধাৰিত প্ৰণালীৰে নিয়ন্ত্ৰণৰ সুবিধা ৰখা হৈছে।  ইয়াৰ উপৰি দূৰ নিৰীক্ষণ আৰু পোহৰৰ প্ৰাৱল্য হ্ৰাস কৰিবলৈ ৰেৰ আধাৰিত ব্যৱস্থাৰে সামৰি লোৱা হৈছে। মাজ নিশাৰ পাছত স্বয়ংক্ৰিয়ভাৱে বিজুলীবাতিৰ পোহৰ হ্ৰাস কৰি শক্তি সঞ্চয় আৰু ব্যয় হ্ৰাসৰ  ব্যৱস্থা ৰখা হৈছে। আজিৰ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰীৰ কেইবাটাও অঞ্চলত আন্ধাৰ আঁতৰাই আলোকিত কৰিবলৈ ৰাজ্য চৰকাৰে দুই তিনি বছৰে প্ৰয়াস অব্যাহত ৰাখিছিল। এই প্ৰচেষ্টাৰ অংশ হিচাপে যোৱা বছৰ গুৱাহাটী পৌৰ নিগম আৰু অসম চৰকাৰৰ মাজত এটা কোম্পানী গঠন কৰা হয়। এই কোম্পানীত অত্যাধুনিক ব্যৱস্থাৰে গুৱাহাটীৰ ষ্ট্ৰীট লাইট সংস্থাপনত সামৰি লোৱাৰ বাবে পদক্ষেপ গ্ৰহণৰ কথা কোৱা হৈছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই ব্যৱস্থাৰে গুৱাহাটীত ২০ হাজাৰ ৬০০ ৰো অধিক ষ্ট্ৰীট লাইট সংস্থাপনৰ পৰিকল্পনা কৰা হৈছে। এই পদক্ষেপে গুৱাহাটীবাসীৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিলে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। আজিৰ অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহাল, পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ যথাবিহিত ৰীতি-নীতিৰে আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পূজা মণ্ডপসমূহ ভিন ভিন বিষয় লৈ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। ইপিনে, ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা চলি আছে।

লখিমপুৰ জিলাত দুৰ্গা পূজা শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ লক্ষ্যৰে জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত সমগ্ৰ জিলাখনতে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অমান্য কৰাসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা লোৱা হ'ব বুলি কোৱা হৈছে।  ইপিনে, যোৰহাট সদৰ আৰক্ষী চকীৰ এটা আৰক্ষী দলে আজি বিভিন্ন পূজা

মণ্ডপত সন্ধিয়া উপস্থিত হৈ পূজা সমিতিৰ কাৰ্যবাহী সদস্য আৰু অন্যান্য সকলৰ সৈতে মত বিনিময় কৰি সকলো দিশৰ বুজ লয়।

০০০০০০০

কেন্দ্ৰীয় পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ অধ্যক্ষতাত আজি ভিডিঅ' কনফাৰেন্সযোগে অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত ৰাজ্যৰ পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰে। এই বৈঠকত ৰাজ্যসমূহলৈ মূলধনী বিনিয়োগৰ বাবে আগবঢ়োৱা বিশেষ সাহায্যৰ বিষয়ে আলোচনা কৰা হয়। ৰাজ্যসমূহৰ বিখ্যাত পৰ্যটনস্থলীসমূহ বিশ্বমানলৈ উন্নীত কৰি বহনক্ষম পৰ্যটনৰ যোগেদি স্থানীয় লোকৰ নিয়ুক্তি সৃষ্টি কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয় বুলি মন্ত্ৰী শ্ৰী মল্লবৰুৱাই সামাজিক মাধ্যমযোগে জানিবলৈ দিয়ে। তেওঁ কয় যে, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ এই প্ৰচেষ্টাৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব।

০০০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি দিছপুৰত কেইবাখনো পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। পৰ্যালোচনা বৈঠকত তেওঁ বিভাগৰ অধীনত ৰূপায়িত হৈ থকা আঁচনিসমূহৰ বিষয়ে আলোচনা কৰে। বৈঠকত বিভাগসমূহত চলি থকা কাম-কাজৰ বুজ লোৱাৰ লগতে ভৱিষ্যত পৰিকল্পনা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে আলোচনা কৰে।

০০০০০০০

মৰিগাওঁ জিলা বাথৌ মহাসভা, নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো মহিলা কল্যাণ পৰিষদকে ধৰি কেইবাটাও বড়ো জনগোষ্ঠীয় সংগঠনৰ উদ্যোগত আজি জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ৰ দেৱালত জনগোষ্ঠীটোৰ কলা কৃষ্টি আৰু সংস্কৃতিক প্ৰতিফলিত কৰা এলানি আলোকচিত্ৰ মুকলি কৰা হয়। বড়োসকলৰ বিভিন্ন বাদ্য যন্ত্ৰ, নৃত্য কলা সংস্কৃতি, কৃষি পদ্ধতি আদিৰ দৃশ্য এই আলোকচিত্ৰত সম্বলিত হৈছে। জিলাখনৰ আয়ুক্তই আজি এই আলোকচিত্ৰসমূহ মুকলি কৰি বড়ো জনগোষ্ঠীয় সংগঠনসমূহক এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

তামুলপুৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু বাক্সা বন সংমণ্ডলৰ অধীনত কুমাৰীকাটা আৰু তামুলপুৰ ৰেঞ্জৰ উদ্যোগত  হাতী-মানুহৰ সংঘাত আৰু ইয়াৰ সমাধান সম্পৰ্কীয় এখন সজাগতামূলক সভা কালি নাগ্ৰিজুলিত অনুষ্ঠিত হয়। তামুলপুৰ জিলা প্ৰশাসনৰ সহযোগ কৰা এই সভাখনত হাতী-মানুহৰ সংঘাত নিৰাময় সন্দৰ্ভত আলোচনা কৰাৰ লগতে এই সন্দৰ্ভত প্ৰশিক্ষণ দিয়াৰ বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে। সভাখনত অধ্যক্ষতা কৰি জিলা আয়ুক্তগৰাকীয়ে বন্যহস্তীৰ জাক স্থানান্তৰকৰণ আৰু ক্ষতিগ্ৰস্ত গাঁৱত নেমুগছ আদিৰ বায়'ফেন্সিং কৰি হাতী-মানুহৰ সংঘাত সমাধান কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰে। এই সন্দৰ্ভত অচিৰেই জিলা পৰ্যায়ৰ সমিতি এখন গঠন কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। এই সমিতিখনে পৰৱৰ্তী সময়ত স্থানীয় স্বেচ্ছাসেৱী সংগঠন আৰু অন্যান্য অংশীদাৰীসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰি হাতী-মানুহৰ সংঘাতৰ বিষয়টো আলোচনা কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে লগতে প্ৰকাশ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহা নামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসমূহৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

0000000

ঃঃ সমাপ্ত ঃঃ